# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-11-2025
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

::::::::::::::::::

১। সমগ্ৰ ৰাষ্ট্ৰই আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি গুজৰাটৰ ডেডিয়াপাড়া নগৰত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। ভাৰতীয় বায়ুসেনাই কাইলৈৰ পৰা ফ্ৰান্সত হ'বলগীয়া দ্বিপাক্ষিক বিমান অনুশীলন গৰুড় ২০২৫ৰ অষ্টম সংস্কৰণত অংশ ল'ব।

৪। ইউক্ৰেইনৰ আক্ৰমণত ৰাছিয়াৰ নভৰোচিস্কৰ এটা তেল ৰপ্তানি কেন্দ্ৰ ক্ষতিগ্ৰস্ত হৈছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ক্ৰিকেট টেষ্টখন আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে।

ooooo

সমগ্ৰ ৰাষ্ট্ৰই আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে। চৰকাৰে জনজাতীয় ইতিহাসক জীৱন্ত কৰি ৰখাৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰি ২০২১ চনৰ পৰা ১৫ নৱেম্বৰৰ দিনটো জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি আহিছে। সময়ৰ লগে লগে এই উৎসৱ জনজাতীয় গৌৰৱ সপ্তাহলৈ ৰূপান্তৰিত হৈছে আৰু দেশৰ প্ৰান্তে প্ৰান্তে সাংস্কৃতিক অনুষ্ঠান, প্ৰদৰ্শনী আৰু শিক্ষামূলক কাৰ্যসূচীৰে জনজাতীয় নায়ক বীৰছা মুণ্ডাৰ জীৱন আৰু কাৰ্যক জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে।

চৰকাৰে জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ স্মৃতি বিজড়িত সংগ্ৰহালয় আৰু স্মাৰকসমূহৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি আহিছে। এই উদ্দেশ্যে দেশৰ ১০ খন ৰাজ্যত ১১ টা সংগ্ৰহালয়ত অনুমোদন দিয়া হৈছে আৰু ইয়াৰে তিনিটা ইতিমধ্যে উন্মোচন কৰা হৈছে। এই সমূহৰ ভিতৰত ৰাঁচীৰ বীৰছা মুণ্ডাৰ স্মাৰক উদ্যান আৰু সংগ্ৰহালয় অন্যতম। একেদৰে ৰায়পুৰৰ জনজাতীয় ডিজিটেল সংগ্ৰহালয়টো বীৰ নাৰায়ণ সিঙৰ নামেৰে নামকৰণ কৰা হৈছে। জনজাতীয় গৌৰৱ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি নতুন দিল্লীৰ সংসদ ভৱন চৌহদত ভগৱান বীৰছা মুণ্ডালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যম যোগে কয় যে বীৰছা মুণ্ডাৰ জন্ম বাৰ্ষিকী ২০২১ চনৰে পৰা ৰাষ্ট্ৰজুৰি জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰি আহা হৈছে। উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে তেওঁ বাৰ্তাত কয় যে,বীৰছা মুণ্ডা প্ৰজ্বলিত কৰা দেশভক্তিৰ বন্তিগছি প্ৰজন্ম প্ৰজন্ম ধৰি জ্বলি থাকিব। বীৰছা মুণ্ডা আৰু অন্য জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ কাহিনী অমৰ হৈ থাকিব বুলি তেওঁ মন্তব্য কৰে। লোকসভাৰ

অধক্ষ্য ওম বিৰলাই নিজৰ বাৰ্তাত কয় যে ৰাষ্ট্ৰীয় স্বাৰ্থ, জনজাতীয় লোকৰ উন্নয়ন আৰু আত্মসন্মানৰ বাবে বীৰছা মুণ্ডাৰ নজিৰবিহীন সংগ্ৰাম সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আৰু ৰেল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে আজি জনজাতীয় নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ বাৰ্তাত কয় যে বীৰছা মুণ্ডা অকল জনজাতীয় সমাজৰেই নহয়, বৰং সমগ্ৰ দেশৰ বাবে গৌৰৱ আছিল। শ্ৰী বৈষ্ণৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত জনজাতীয় গৌৰৱ দিৱস উপলক্ষে দেশবাসীক ওলগ জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি গুজৰাটৰ জনজাতীয় বসতিপ্ৰধান নৰ্মদা জিলাৰ ডেডিয়াপাড়া নগৰত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। স্বাস্থ্য, আন্তঃগাঁথনি, শিক্ষা আৰু ঐতিহ্যৰ সৈতে জড়িত এই প্ৰকল্পসমূহত জনজাতীয় সবলীকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। কিম্বদন্তী জনজাতীয় নেতা তথা স্বাধীনতা সংগ্ৰামী ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা জনজাতীয় গৌৰৱ দিৱস উপলক্ষে এই প্ৰকল্পসমূহ মুকলি কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে বীৰছা মুণ্ডাৰ জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত এটা সমাবেশত ভাষণ দি কয় যে এই পৱিত্ৰ ক্ষণত আমি সবকা সাথ, সবকা বিকাশ মন্ত্ৰ সুদৃঢ় কৰাৰ বাবে সংকল্পবদ্ধ হোৱা উচিত। তেওঁ কয় যে জনজাতীয় গৌৰৱ হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ চেতনাৰ অবিচ্ছেদ্য অংগ ৰূপে পৰিগণিত হৈ আহিছে। যেতিয়াই দেশক সন্মান, আত্মসন্মান আৰু স্বশাসনৰ প্ৰশ্ন উঠিছিল তেতিয়াই জনজাতীয় সমাজে সন্মুখৰ পৰা নেতৃত্ব দি আহিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশে স্বাধীনতা সংগ্ৰামত জনজাতীয় সমাজৰ অৱদানৰ কথা পাহৰিব নোৱাৰে। তেওঁ লগতে আজিয়েই শ্ৰীগোবিন্দ গুৰুপীঠ জনজাতীয় ভাষা প্ৰসাৰ কেন্দ্ৰ স্থাপন কৰা বুলি উল্লেখ কৰে। এই কেন্দ্ৰত জনজাতিসমূহৰ দোৱানৰ বিষয়ে অধ্যয়ন কৰা হ'ব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰটোত জনজাতীয় লোকসকলৰ সৈতে জড়িত কাহিনী আৰু গীতসমূহ সংগ্ৰহ কৰা হ'ব।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে মুম্বাই-আহমেদাবাদ দ্ৰুত গতিসম্পন্ন ৰে'ল কৰিড'ৰৰ প্ৰগতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে গুজৰাটৰ চুৰাটত নিৰ্মীয়মান বুলেট ট্ৰেইন ষ্টেচন পৰিদৰ্শন কৰে। শ্ৰীমোদীয়ে বিষয়াসকলৰ সৈতে কথা পাতে আৰু কাম-কাজৰ বুজ লয়। মুম্বাই-আহমেদাবাদ দ্ৰুত গতিসম্পন্ন ৰে'ল কৰিড'ৰৰ কাম সম্পূৰ্ণ হ'লে মুম্বাই আৰু আহমেদাবাদৰ মাজৰ যাত্ৰাৰ সময় ২ ঘণ্টালৈ হ্ৰাস পাব। শ্ৰীমোদীয়ে লগতে ছাগবাড়া তালুকাৰ দেৱমোগৰা গাঁৱত জনজাতীয় সমুদায়ৰ জনগোষ্ঠীয় দেৱী পণ্ডোৰী মাতাৰ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি সুলভ মুল্যৰ ঔষধ আৰু চিকিৎসাৰ বাবে নিৰ্ভৰযোগ্য সামগ্ৰীৰ যোগানৰ বাবে আৰম্ভ কৰা অমৃত সেৱাৰ দশম বৰ্ষপুৰ্তি উপলক্ষে নতুন দিল্লীত আয়োজন কৰা বিশেষ অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে এই সেৱাৰ জড়িয়তে ৰোগী সকলে বিগত ১০বছৰত ৮ হাজাৰ ৫০০কোটিতকৈও অধিক ধনৰ ৰাহি কৰিবলৈ সমৰ্থ হৈছে। ৰোগী সকলে দেশৰ কেইবাখনো

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৫৫ খন অমৃত ফাৰ্মাচীত ৬হাজাৰ ৫০০ৰো অধিক ঔষধৰ লগতে বিভিন্ন চিকিৎসা সামগ্ৰী অতি সুলভ মূল্যত লাভ কৰি আছে।

আজিৰ অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে নতুনকৈ ১০খন অমৃত ফাৰ্মাচীৰ উদ্বোধন কৰাৰ লগতে সমগ্ৰ দেশতে ৫০০ খন অমৃত ফাৰ্মাচী মুকলি কৰাৰ লক্ষ্যৰ কথা প্ৰকাশ কৰে। প্ৰতিখন চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়তো অমৃত ফাৰ্মাচীৰ সুবিধা প্ৰদানৰ বিষয়তো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০

ভাৰতীয় বায়ু সেনাই কাইলৈৰ পৰা ফ্ৰান্সত হ'বলগীয়া দ্বিপাক্ষিক বিমান অনুশীলন-গৰুড় ২৫-ৰ অষ্টম সংস্কৰণত অংশ ল'ব। ২৭ নৱেম্বৰলৈকে চলিব লগা এই অনুশীলন কাৰ্যসূচী ভাৰতীয় বায়ু সেনাই ফ্ৰান্সৰ বায়ু আৰু মহাকাশ বাহিনীৰ সৈতে একেলগে আয়োজন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰী এই অনুশীলনৰ লক্ষ্য হৈছে বাস্তৱিক অভিযানৰ পৰিৱেশত নিজৰ যুদ্ধ কৌশল আৰু প্ৰক্ৰিয়াৰ সংশোধন কৰা। মন্ত্ৰালয়ে লগতে কয় যে এই অনুশীলনে দুয়োখন দেশৰ বায়ু সেনাক পেচাদাৰীভাৱে বাৰ্তালাপ কৰাৰ লগতে অভিজ্ঞতাৰ আদান-প্ৰদান আৰু অনুশীলনৰ শ্ৰেষ্ঠ কৌশল সমূহত আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব।

অনুশীলনৰ সময়ত, ভাৰতীয় বায়ুসেনাৰ এছ.ইউ-30 এম. কে. আই বিমানে ফ্ৰান্সৰ মাল্টিৰোল যুঁজাৰু বিমানৰ সৈতে জটিল যুদ্ধ পৰিস্থিতিত অনুশীলন কৰাৰ লগতে, এয়াৰ-টু-এয়াৰ কমবেট, প্ৰতিৰক্ষা আৰু যুটীয়াভাৱে অভিযানত অংশ ল'ব৲

০০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থা এনআইএ-ই দিল্লীৰ লালকিল্লাৰ সমীপত অলপতে হোৱা বোমা বিস্ফোৰণৰ সংক্ৰান্তত কালি সন্ধিয়া পশ্চিম বংগৰ উত্তৰ দিনজাপুৰ জিলাৰ ইছলামপুৰৰ পৰা নুৰ আলম নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। নুৰ আলম উত্তৰ দিনজাপুৰ জিলাৰ বাসিন্দা আৰু ফৰিদাবাদৰ অল ফলাহ বিশ্ববিদ্যালয়ৰ ছাত্ৰ। আৰক্ষীয়ে প্ৰকাশ কৰা মতে তেওঁ বিবাহ অনুষ্ঠানত ভাগ লোৱাৰ বাবে গাঁওখনলৈ আহিছিল।

০০০০০

ৰাছিয়াৰ বন্দৰ চহৰ নভোৰোচিস্কৰ এটা গুৰুত্বপূৰ্ণ তেল টাৰ্মিনেলত ইউক্ৰেইনে কালি নিশাৰ ভাগত আক্ৰমণ কৰাৰ ফলত সমগ্ৰ অঞ্চলটোত অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগতে টাৰ্মিনেলৰ আন্তঃগাঁথনিৰ যথেষ্ট ক্ষতিসাধন হৈছে। উল্লেখযোগ্য যে কিয়িভৰ ওপৰত ৰাছিয়াই আক্ৰমণৰ কৰাৰ সময়তে ইউক্ৰেইনে এই আক্ৰমন সংঘটিত কৰিছে।

ইউক্ৰেইনৰ বাহিনীয়ে ৰাছিয়াৰ অন্যতম বৃহৎ তেল ৰপ্তানি কেন্দ্ৰটো লক্ষ্য কৰি কৰা আক্ৰমনৰ কথা দুয়োখন দেশৰ বিষয়াসকলে স্বীকাৰ কৰিছে।

ইউক্ৰেইনে প্ৰকাশ কৰা মতে এই আক্ৰমণত বন্দৰ আৰু তেল টাৰ্মিনেলৰ মূল্যৱান আন্তঃগাঁথনিৰ লগতে ৰাছিয়াৰ এছ400 বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ এটা লঞ্চাৰো ক্ষতি হৈছে।

ক্ৰাসনডাৰ ক্ৰাইৰ ৰাছিয়ান গৱৰ্ণৰ ভেনিয়ামিন কোণ্ড্ৰাটিয়েভে আক্ৰমণৰ কথা প্ৰকাশ কৰি কয় যে আক্ৰমণত কমেও চাৰিজন লোক আহত হোৱাৰ লগতে আৰু চাৰিটা আবাসিক ভৱন আৰু দুটা ব্যক্তিগত ঘৰ ক্ষতিগ্ৰস্ত হৈছে। তেওঁ লগতে অঞ্চলটোত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ কথাও প্ৰকাশ কৰিছে। ইপিনে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে কালি নিশা ইউক্ৰেইনৰ ২১৬ খন ড্ৰোন ধ্বংস কৰা বুলি প্ৰকাশ কৰিছে।

00000

ভাৰতীয় বায়ু সেনাৰ তিনিখন বিমান দুঘণ্টাৰ ভিতৰত বৈদ্যুতিক বিসংগতিৰ বাবে দুৰ্ঘটনাগ্ৰস্ত হোৱা বুলি পাকিস্তানৰ সমৰ্থনকাৰী সামাজিক মাধ্যমৰ এটা হেণ্ডেলে কৰা ভুৱা দাবী চৰকাৰে অস্বীকাৰ কৰিছে। PIBৰ Fact Check Unit-এ এই দাবীক ভুৱা বুলি প্ৰকাশ কৰি কয় যে ভাৰতীয় বায়ুসেনাই ইতিমধ্যে আনুষ্ঠানিকভাৱে স্পষ্ট কৰিছে যে বায়ুসেনাৰ এখন প্ৰশিক্ষণৰ বিমান নিয়মীয়া প্ৰশিক্ষণ অভিযানৰ সময়ত দুৰ্ঘটনাগ্ৰস্ত হৈছিল। ভাৰতীয় বায়ুসেনাই লগতে কয় যে এই ঘটনাত অসামৰিক সম্পত্তিৰ কোনো ক্ষতি হোৱাৰ বাতৰি পোৱা হোৱা নাই। চৰকাৰে নাগৰিকসকলক এনে ভুল তথ্যৰ প্ৰতি সতৰ্ক হ'বলৈ আৰু এনে তথ্য বিশ্বাস কৰাৰ আগতে চৰকাৰী উৎসৰ পৰা পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে।

00000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। দক্ষিণ আফ্ৰিকাই আজি দ্বিতীয় দিনাৰ খেলৰ সামৰণিৰ পৰলৈকে দ্বিতীয় ইনিংছত ৭টা উইকেটৰ বিনিময়ত ৯৩ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। আজিৰ খেলত টেম্বা বাবুমা ২৯ আৰু কৰ্বিন বছে ১ ৰাণ কৰি খেলি আছে। দক্ষিণ আফ্ৰিকা ভাৰতৰ প্ৰথম ইনিংছতকৈ ৬৩ ৰাণত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে আজি ১৮৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৩৯ ৰাণ কৰে। ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়।

00000

সমাপ্ত